# মধ্য যুগত ভাৰতবৰ্ষ

## ইতিহাস খণ্ড

**প্ৰশ্ন১। উত্তৰ দিয়া**

**( ক ) ভাৰতবৰ্ষৰ ইতিহাসক কেইটা ভাগত ভাগ কৰা হৈছে ? এই ভাগ কেইটা কি কি ?**

উত্তৰঃ ভাৰতবৰ্ষৰ ইতিহাসক তিনিটা যুগত ভাগ কৰা হৈছে। সেই কেইটা হৈছে প্ৰাচীন যুগ , মধ্য যুগ আৰু আধুনিক যুগ। কিছুমানে আকৌ প্ৰাচীন যুগক হিন্দু যুগ আৰু মধ্য যুগক মুছলমান যুগ বুলিব খোজে।

**( খ ) চুলতান মামুদে কি কাৰণে বাৰে বাৰে ভাৰত আক্ৰমণ কৰিছিল ?**

উত্তৰঃ ভাৰতৰ প্ৰচুৰ ঐশ্বৰ্য – বিভূতিৰ লোভত তেওঁ বাৰে বাৰে ভাৰত আক্ৰমণ কৰিছিল।

**( গ ) তৰাইনৰ দ্বিতীয় যুদ্ধ কেতিয়া হৈছিল ?**

উত্তৰঃ তৰাইনৰ দ্বিতীয় যুদ্ধ ১১৯২ খ্ৰীঃ হৈছিল।

**( ঘ ) মোগল সাম্ৰাজ্য প্ৰতিষ্ঠাতা কোন আছিল ?**

উত্তৰঃ মোগল সাম্ৰাজ্য প্ৰতিষ্ঠাতা বাবৰ আছিল।

**( ঙ ) মোগলসকলৰ শেষ বাদশ্বাহজনৰ নাম কি আছিল ?**

উত্তৰঃ মোগলসকলৰ শেষ বাদশ্বাহজনৰ নাম দ্বিতীয় বাহাদুৰশ্বাহ আছিল।

**প্ৰশ্ন২। শুদ্ধ / অশুদ্ধ বাছি উলিওৱা**

**( ক ) ভাৰতবৰ্ষত / আৰব দেশত ইছলাম ধৰ্মৰ অভ্যুদয় হৈছিল।**

উত্তৰঃ আৰব দেশত ইছলাম ধৰ্মৰ অভ্যুদয় হৈছিল।

**( খ ) আলপ্তগীনে / চুলতান মামুদে আফগানিস্তানৰ গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল ।**

উত্তৰঃ আলপ্তগীনে আফগানিস্তানৰ গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল ।

**( গ ) বাবৰ | আকবৰ মােগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা ।**

উত্তৰঃ বাবৰ মােগল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা ।

**( ঘ ) লাােড়ী বংশ / চৈয়দ বংশ চুলতানী আমাােলৰ শেষ ৰাজবংশ ।**

উত্তৰঃ লাােডী বংশ চুলতানী আমাােলৰ শেষ ৰাজবংশ ।

**( ঙ ) কুতুবুদ্দিন আইবাকে দিল্লীৰ / লাহাােৰৰ পৰা শাসন কাৰ্য চলাইছিল ।**

উত্তৰঃ কুতুবুদ্দিন আইবাকে লাহাােৰৰ পৰা শাসনকাৰ্য চলাইছিল ।

**প্ৰশ্ন৩। খালী ঠাই পূৰ কৰা—**

**( ক ) গিয়াছুদ্দিন বলবন .........বংশৰ শেষ ৰজা ।**

উত্তৰঃগিয়াছুদ্দিন বলবন  **দাস** বংশৰ শেষ ৰজা ।

**( খ ) জালালুদ্দিন খিলিজি .......... বংশৰ প্ৰতিষ্ঠাতা ।**

উত্তৰঃ জালালুদ্দিন খিলিজি **খিলিজ**  বংশৰ প্ৰতিষ্ঠাতা ।

**( গ ) ইবন বটুতা এগৰাকী ...........আছিল ।**

উত্তৰঃ ইবন বটুতা এগৰাকী **পব্ৰিাজক** আছিল ।

**( ঘ ) .........নামৰ এজন তুৰ্কী ক্ৰীতদাসে গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল ।**

উত্তৰঃ  **অল্পতগীন** নামৰ এজন তুৰ্কী ক্ৰীতদাসে গজনীত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল ।

**( ঙ ) চাহাবুদ্দিন ইতিহাসত ……..নামে জনাজাত ।**

উত্তৰঃ চাহাবুদ্দিন ইতিহাসত **মহম্মদ ঘাােৰী** নামে জনাজাত ।

**প্ৰশ্ন ৪। পাঠৰ আলমত তালিকাখন পূৰ কৰা—**

| তিনিজন বিদেশী পৰিব্ৰাজকৰ নাম | তিনিটা স্মৃতিচিহ্নৰ নাম | তিনিজন লিখকৰ নাম |
|---|---|---|
| | | |

**উত্তৰঃ**

| তিনিজন বিদেশী পৰিব্ৰাজকৰ নাম | তিনিটা স্মৃতিচিহ্নৰ নাম | তিনিজন লিখকৰ নাম |
|---|---|---|
| ইবনবটুতা | কুতুবমিনাৰ | আমীৰ খশ্ৰু |
| আব্দুৰ ৰজ্জাক | হুমায়ুন সমাধি | আবুল ফজল |
| মাৰ্কো পলো | তাজমহল | গুলবদন বেগম |

**প্ৰশ্ন৫। মানচিত্ৰ চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰা**

**( ক ) চুলতানী শাসনৰ অধীনস্থ চাৰিখন উত্তৰ ভাৰতৰ আৰু চাৰিখন দক্ষিণ ভাৰতৰ ঠাইৰ নাম লিখা ।**

**( খ ) মানচিত্ৰত দেখুওৱা স্বাধীন ৰাজ্যকেইখনৰ নাম উল্লেখ কৰা ।**

**( গ ) ঝীলাম , শতদ্ৰ , নৰ্মদা , তাপ্তী , গংগা , গাােদাবৰী , নৈবাােৰ কোন কোন ৰাজ্যৰ মাজেৰে বৈ গৈছে ?**

উত্তৰঃ পাঠ্যপুথিৰ মেপ চাই উত্তৰ কৰা ।